**বিদ্যালয়ৰ নেতৃত্ব: অভিভাৱকক জড়িতকৰণ**

| অসমীয়া |
|---|
| আমি যেতিয়া শিক্ষক-অভিভাৱকৰ বৈঠক অনুস্থিত কৰোঁ তেতিয়া অতি কম অভিভাৱকহে দেখা পাওঁ। গ্ৰাম্যাঞ্চলৰ অধিকাংশ অভিভাৱকেই শিক্ষক-অভিভাৱকৰ বৈঠকৰ গুৰুত্ব উপলব্ধি নকৰে। তেওঁলোক প্ৰথমখন বৈঠকত অহা নাছিল কিন্তু পিছৰখনত আহিছিল।<br><br>আমি তেওঁলোকক ল'ৰা-ছোৱালীবোৰৰ স্কুলৰ ক্ৰিয়া-কলাপ আৰু উপস্থিতিৰ বিষয়ে জনাইছিলোঁ কিন্তু তেওঁলোকে ল'ৰা-ছোৱালীবোৰৰ ঘৰত কৰিবলগীয়া অন্যান্য কামৰ কথাহে জনালে যাৰ বাবে তেওঁলোকে ল'ৰা-ছোৱালীবোৰক স্কুললৈ পঠাব পৰা নাছিল। আমি অভিভাৱকসকলক ছাত্ৰ-ছাত্ৰীৰ বাবে বিদ্যালয়ৰ গুৰুত্বৰ কথাও জনাইছিলোঁ।<br><br>আমাৰ অধিকাংশ অভিভাৱকেই শিক্ষাৰ গুৰুত্ব বুজি পায় কিন্তু তেওঁলোক অশিক্ষিত হোৱাৰ বাবে এইক্ষেত্ৰত তেওঁলোকৰ নিজৰো যে এটা ভূমিকা আছে সেই কথা মনলৈ নাহে, সেইবাবে আমি তেওঁলোকক এই কথা বুজাই দিব লাগিব। সমাজলৈ পৰিৱৰ্তন আনিব পৰা কিছু অভিভাৱক আমি চিনাক্ত কৰিব লাগিব যাতে আমি তেওঁলোকৰ লগত নিয়মিতভাৱে ফোনেৰে কথা পাতিব পাৰোঁ।<br><br>ধৰাহ'ল এটি শিশু ভালেকেইদিন ধৰি স্কুললৈ অহা নাই আৰু তাৰ অভিভাৱকেও একো জনোৱা নাই, আমি এটা বাৰ্তা প্ৰেৰণ কৰিলোঁ বিদ্যালয়ৰ আন এটি শিশুৰ জৰিয়তে, যে শিশুটি বহুদিন ধৰি বিদ্যালয়ত অনুপস্থিত আছে আৰু ছুটীৰ আৱেদনো দাখিল কৰা নাই, লগতে আমি জানিব বিচাৰিলোঁ, সমস্যাটো কি? যদিহে শিশুটিৰ লগৰীয়া বা ওচৰ-চুবুৰীয়াই কাৰণটো আমাক জনায় তেন্তে সেইকথা নিশ্চিত কৰিবলৈ অভিভাৱকৰ লগত যোগাযোগ কৰিব লাগিব। সাধাৰণতে প্ৰতিখন গাওঁৰ দুজন অভিভাৱকৰ সৈতে সংস্পৰ্শত থাকিব লাগে। যেতিয়া তেওঁলোকে  শিশুটিৰ ঘৰলৈ যাব আৰু তেওঁলোকক আমাৰ কথা ক'ব। তেতিয়া আমি সেই শিশুটিৰ অভিভাৱকক বিদ্যালয়লৈ আমন্ত্ৰণ জনাওঁ। যদিহে তেওঁলোক আহে তেন্তে ভাল কথা। কিন্তু এয়া এক ডাঙৰ প্ৰত্যাহ্বান যে অভিভাৱককসকল বিদ্যালয়লৈ আহিব। তেওঁলোক সাধাৰণতে নাহে।<br><br>কিন্তু এতিয়া তেওঁলোক আহিবলৈ আৰম্ভ কৰিলে, কাৰণ মই তওঁলোকক সন্মান সহকাৰে আদৰণি জনাওঁ। যেতিয়া তেওঁলোক আহে তেতিয়া আমি তেওঁলোকক এখন আসন আগবঢ়াই দিওঁ। আমি অলপ সময় তেওঁলোকৰ লগত কথা পাতোঁ। আপুনি যেতিয়া গাওঁবাসীসকলক তেওঁলোকৰ ব্যক্তিগত সমস্যাৰ বিষয়ে সোধে তেতিয়া তেওঁলোকে ভালেমান কথা কয়। তেতিয়া আমি তেওঁলোকৰ সমস্যাৱলীৰ সমাধান আগবঢ়াবলৈ চেষ্টা কৰোঁ।<br><br>উদাহৰণস্বৰূপে দশম শ্ৰেণীত পঢ়ি থকা ছোৱালী এজনীৰ মাক বিদ্যালয়লৈ আহিছে। তেখেতে ছোৱালীজনী ঘৰত ৰাখিব বিচাৰে বিয়াৰ বজাৰ আগতীয়াকৈ কৰিবলৈ যাবৰ বাবে। তেখেতে কয় যে তাইক দুদিনৰ ছুটীৰ প্ৰয়োজন। তেখেত ক'লে বিয়াখন ওচৰৰে গাওঁ এখনৰ সম্পৰ্কীয় লোকৰ ঘৰত আছে। ছোৱালীজনীয়ে মাকক স্কুলৰ পৰা ছুটী ল'বলৈ কৈছে। মই তেখেতক সুধিলোঁ মাত্ৰ চাৰি বা পাঁচ কিলোমিটাৰ দূৰৈৰ বিয়াখনত থাকিবৰ বাবে ছোৱালীজনীক তেখেতে কিয় দুদিন বিদ্যালয়ত অনুপস্থিত থকাটো বিচাৰিছে?<br><br>তাই দশম শ্ৰেণীত পঢ়ি আছে। যি শিকোৱা হ'ব, তাই সেইখিনি হেৰুৱাব। আৰু বিদ্যালয়ত নোপোৱাখিনি পূৰণ কৰিবলৈ আপুনি তেতিয়া তাইক ঘৰত সহায় কৰিবও নোৱাৰিব। যদি দূৰত্ব মাত্ৰ চাৰি কিলোমিটাৰ হয় তেন্তে আপুনি আৱেলি যাওক আৰু নিশা ঘূৰি আহক। ছোৱালীজনী স্কুললৈ দুয়োদিনাই আহিল আৰু কোনো ছুটী নল'লে। |